# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-02-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। অসম বিধানসভাত শাসক-বিৰোধীৰ সভাস্থগিত প্ৰস্তাৱৰ দাবীত সদন তিনিবাৰলৈ স্থগিত। বিধায়কসকলে উত্থাপন কৰা বিষয় আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰ সাজু বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। যোৱা ৩১ ডিচেম্বৰলৈকে অসমত প্ৰৱেশ কৰা মুঠ ১ লাখ ৬৫ হাজাৰ ৫৫১ জন বিদেশী নাগৰিক চিনাক্ত, ইয়াৰে মুঠ ৩০ হাজাৰ ১১৫ জন বিদেশী নাগৰিকক বহিস্কাৰ।

৩। মিচিং জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলসমূহত আজি আলি-আঃয়ে-লৃগাং পালন।

৪। উমৰাংছ'ৰ তিন কিলো কয়লা খনিৰ পৰা আজি পাঁচজন শ্ৰমিকৰ গলিত মৃতদেহ উদ্ধাৰ।

**আৰু**

৫। চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত পাকিস্তানৰ সন্মুখত নিউজিলেণ্ডৰ ৩২১ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ।

০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হৈছে। এদিনৰ বিৰতিৰ মূৰত আজি অনুষ্ঠিত দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ আৰম্ভণিতে বিৰোধী পক্ষৰ কেইবাগৰাকীও সদস্যই কয়লা ছিণ্ডিকেট, অসম চুক্তিৰ ৬ নম্বৰ দফাৰ ৰূপায়ণ, ডিটেনছন শিবিৰ আদি বিভিন্ন প্ৰসংগ উত্থাপন কৰিবলৈ চেষ্টা কৰে। অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে সদস্যসকলৰ দাবীৰ প্ৰতি কৰ্ণপাত নকৰি প্ৰশ্নোত্তৰ কাল চলাই নিয়ে। প্ৰশ্নোত্তৰ কাল শেষ হোৱাৰ পাছত শূন্যকালত বিৰোধী সদস্যসকলে একেকেইটা বিষয়ক লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ বাবে দাবী জনায়। অধ্যক্ষই সদনৰ কাৰ্য পৰিচালনাৰ আন বিধিৰ অধীনত বিষয়সমূহ আলোচনা কৰিব পৰা যায় বুলি সদস্যসকলক বুজাবলৈ চেষ্টা কৰে যদিও সদনত হুলস্থূলীয়া পৰিৱেশ অব্যাহত থাকে। বিৰোধী পক্ষৰ কেইবাগৰাকী সদস্যই কয়লা ছিণ্ডিকেট, অসম চুক্তিৰ ৬ নম্বৰ দফা, ডিটেনছন শিবিৰ সন্দৰ্ভত আলোচনাৰ দাবী জনাই সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্ণা দিবলৈ ধৰে। ইয়াৰ বিপৰীতে শাসকীয় পক্ষৰ সদস্যসকলেও অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰি সম্পৰ্কে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনক লৈ আলোচনাৰ দাবীত ধৰ্ণা দিয়ে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ বাবে অধ্যক্ষই তিনিবাৰকৈ সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখিবলৈ বাধ্য হয়। তিনিবাৰকৈ কাম-কাজ স্থগিত ৰখাৰ পাছত সদন পুনৰ মিলিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধায়কসকলে উত্থাপন কৰা বিষয়সমূহক আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰ সাজু বুলি ঘোষণা কৰে আৰু সেই সময়ত অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নুমল মমিনক আলোচনাৰ দিন নিৰ্ধাৰণ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পাছত সদনৰ পৰিস্থিতি শান্ত হয় আৰু স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ হয়।

০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফাত থকা অসমীয়াৰ বাবে সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণৰ উদ্দেশ্যে এতিয়ালৈকে অসমীয়াৰ সংজ্ঞা নিৰূপণৰ সন্দৰ্ভত এটা সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। অসম বিধানসভাত আজি বিধায়ক আমিনুল ইছলামৰ এটা

প্ৰশ্নৰ লিখিত উত্তৰত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই এই কথা প্ৰকাশ কৰি কয়, যে চুক্তিৰ দফা অনুযায়ী অসমীয়াৰ সংজ্ঞা এতিয়ালৈকে নিৰূপণ কৰা হোৱা নাই। শ্ৰীবৰাই কয়, যে বিপ্লৱ কুমাৰ শৰ্মা কমিটীয়ে অসম চুক্তিৰ ৬ নম্বৰ দফাৰ ৰূপায়ণ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনৰ প্ৰতিলিপি অসম চুক্তি ৰূপায়ণ বিভাগৰ ৱেবছাইটত আপলোড কৰা হৈছে। বিধায়ক আব্দুৰ ৰহিম আহমেদে উত্থাপন কৰা আন এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে ৬ নম্বৰ দফাৰ ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অসম চৰকাৰৰ দুলানি বৈঠক অনুষ্ঠিত হৈছে। অসম মন্ত্ৰীসভাই ৬ নম্বৰ দফাৰ অন্তৰ্গত আৰু বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদনৰ আধাৰত ৰাজ্য চৰকাৰৰ আওঁতাত পৰা ৫২টা পৰামৰ্শৰ ক্ষেত্ৰত ৰূপৰেখা তৈয়াৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু এই ৰূপৰেখা তৈয়াৰ কৰি থকা হৈছে বুলি মন্ত্ৰী বৰাই সদনক জানিবলৈ দিয়ে। যোৱা বছৰৰ ৩১ ডিচেম্বৰলৈকে অসম চুক্তিৰ অধীনত ৰাজ্যখনত প্ৰৱেশ কৰা মুঠ ১ লাখ ৬৫ হাজাৰ ৫৫১ জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে। ইয়াৰে ৩২ হাজাৰ ৮৭০ জন ১৯৬৬ আৰু ১৯৭১ চনৰ ভিতৰত অহা বিদেশী আৰু ১ লাখ ৩২ হাজাৰ ৬৬১ জন ১৯৭১ চনৰ পাছত অহা বিদেশী। ৰাজ্যখনৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈকে মুঠ ৩০ হাজাৰ ১১৫ জন বিদেশীক বহিষ্কাৰ কৰা হৈছে বুলি অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীগৰাকীয়ে সদনত প্ৰকাশ কৰে।

বিধায়ক তেৰছ গোৱালাৰ আন এটা প্ৰশ্নৰ উত্তৰত সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী পীয়ুষ হাজৰিকাই কয়, যে অসম চৰকাৰে মৰাণ, মটক, আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ ৩৬টা জনগোষ্ঠীক জনজাতি মৰ্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে নৃগোষ্ঠীয় প্ৰতিবেদন প্ৰস্তুত কৰাৰ বাবে অসম চৰকাৰে ২০১১ চনৰ ২৫ জুলাইত গঠন কৰা তিনিজনীয়া সমিতিৰ প্ৰতিবেদনো ২০১২ চনৰ ১২ জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

ooooo

মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং উপলক্ষে আজি জনগোষ্ঠীটোৰ বসতিপ্ৰধান অঞ্চলসমূহ ঐনিতমৰ সুৰ আৰু গুমৰাগ নৃত্যৰ ছন্দত মুখৰ হৈ উঠিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে ফাগুনৰ প্ৰথমটো বুধবাৰে এই উৎসৱ পালন কৰে। মিচিং ভাষাত আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱৰ অংশ হিচাপে গুটি সিঁচা কাৰ্য আৰম্ভ কৰাৰ লগতে জনগোষ্ঠীটোৰ ডেকা-গাভৰু, বুঢ়া-মেঠা সকলোৱে সমূহীয়াকৈ ভোজ ভাত খাই নৃত্য-গীতেৰে আনন্দ উপভোগ কৰে। এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই মুখ্য অতিথি হিচাপে আৰু ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰী ডাঃ পেগুৱে অনুষ্ঠানত অংশ লৈ প্ৰকৃতি আৰু মানুহৰ অভিন্ন সম্পৰ্কৰ সাংস্কৃতিক অভিব্যক্তি তথা সৃষ্টিৰ উৎসৱ আলি-আয়ে-লৃগাঙে মিচিং সমাজৰ লগতে সমগ্ৰ অসমবাসীৰ সুখ-সমৃদ্ধিৰ দিশত ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

যোৰহাট জিলাৰ বাঘচোং আলিত আজি এই উৎসৱৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উপলক্ষে আম্পিৰ শীৰ্ষক এখন মুখপত্ৰ উন্মোচন কৰা হয়। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ আলি-আয়ে-লৃগাং উপলক্ষে শিৱসাগৰ জিলাৰ দিচাংমুখৰ লগতে জনগোষ্ঠীটোৰ বসতিপ্ৰধান অঞ্চলসমূহত উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰে। লৃগাং উপলক্ষে আজি দিচাংমুখৰ অফলাত ডেকা-গাভৰুসকলে ঐনিতম, গুমৰাগৰ ছন্দ আৰু ঢোলৰ গুমগুমনিৰে অঞ্চলটো উৎসৱমুখৰ কৰি তোলে। এই উৎসৱৰ পৰিবেশ সন্দৰ্ভত জনাবলৈ এতিয়া দিচাংমুখত আছে আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলী -

ঃভইচঃ

ডিব্ৰুগড়, চৰাইদেউ, ধেমাজি, মাজুলী, তিনিচুকীয়াকে ধৰি মিচিং জনগোষ্ঠীৰ বসতিপ্ৰধান জিলাসমূহত আজি এই উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। এই উপলক্ষে জনগোষ্ঠীয় লোকসকলে হাতে বোৱা উজ্জ্বল ৰঙৰ সাজপাৰ পৰিধান কৰি সুস্বাদু খাদ্যৰ বিনিময় কৰে।

ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনগোষ্ঠীয় লোকসকলে আলি-আয়ে-লৃগাং পৰম্পৰাগত ৰীতি নীতি আৰু উৎসাহ উদ্দীপনাৰে  পালন কৰে। জিলাখনৰ কাইটং অঞ্চলৰ কায়েম চাপৰি, ধেমাজি আগম কেবাং চৌহদ, নলনীপাম, অসম-অৰুণাচল সীমান্তৱৰ্ত্তী লাইপুলিয়াকে ধৰি কেইবাটাও অঞ্চলত মাঙ্গলিক কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে ৩০০ৰো অধিক জিয়ৰী-বোৱাৰীয়ে গুমৰাগ নৃত্য পৰিবেশন কৰে। ধেমাজিৰ সমজিলা জোনাইতো আজি এই উৎসৱ উপলক্ষে উলহ মালহৰ পৰিবেশে বিৰাজ কৰিছে।

ooooo

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰণেৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শীৰ্ষ সন্মিলনে ৰাজ্যখনত অধিক বিনিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলি মত প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে বাঁহৰ জৰিয়তে অসমে নিৰ্মাণ, বস্ত্ৰ, হস্তশিল্প আৰু অন্যান্য ক্ষেত্ৰত নতুন সম্ভাৱনাৰ উন্মোচন কৰিছে বুলি উল্লেখ কৰি কয়, যে এনে পদক্ষেপে ৰাজ্যখনৰ বহনক্ষমতা আৰু বিকাশৰ ভৱিষ্যত নিশ্চিত কৰাত অধিক উৎসাহ যোগাব। তেওঁ সেউজ ভৱিষ্যতৰ বাবে এই খণ্ডত বিনিয়োগ কৰিবলৈ বিনিয়োগকাৰীসকলক আহ্বান জনায়। উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যৰ পৰ্যটন, কৃষি, ছেমি কণ্ডাক্টৰ, পুনৰ ব্যৱহাৰযোগ্য শক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ সুযোগৰ বিষয়ে সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰি আহিছে।

পৰ্যটন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি এই সন্মিলনৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ ৩৭ খন হোটেলৰ পৰিচালন সঞ্চালক আৰু প্ৰবন্ধক সকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই শীৰ্ষ সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে তেওঁলোকৰ সহযোগিতা কামনা কৰে। এই আলোচনাত অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলীপ কুমাৰ দাসকে ধৰি বিভাগটোৰ কেইবাগৰাকী বিষয়াই ভাগ লয়।

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি দিছপুৰৰ জনতা ভৱনত ৰাজ্যৰ সংবাদমাধ্যমৰ সৈতে জড়িত ব্যক্তিসকলৰ সৈতে আলোচনা মিলিত হৈ তেওঁলোকৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে তেওঁলোকক এই শীৰ্ষ সন্মিলনৰ আয়োজক হিচাপে সেৱা আগবঢ়াই অনুষ্ঠানটো সফল কৰি তোলাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

ইপিনে ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে জিলাই জিলাই প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে এই অনুষ্ঠানত ঝুমুৰ নৃত্যক বিশ্বৰ প্ৰেক্ষাপটত তুলি ধৰিব। মুখ্যমন্ত্ৰীয়ে কয়, যে অসমৰ চাহৰ ২০০ বছৰীয়া চহকীৰ ঐতিহ্য তথা চাহ বাগিচাৰ সংস্কৃতিক প্ৰদৰ্শন কৰিবলগীয়া এই অনুষ্ঠানলৈ মাজত মাত্ৰ ৫টা দিন বাকী আছে। তেওঁ ঝুমুৰ নৃত্যত সংগত কৰা মাদল, তাল, ধমছা, ঢোল আদি বিভিন্ন বাদ্যৰ কথা উল্লেখ কৰি কয়, যে সৰুসজাই ক্ৰীড়া প্ৰকল্পত ৮ হাজাৰ চাহ জনগোষ্ঠীৰ শিল্পীয়ে পৰিৰেশন কৰিবলগীয়া এই ঝুমুৰ নৃত্য অতি আকৰ্ষণীয় আৰু অভূতপূৰ্ব হ'ব।

**বাইট (চি এম)**

এই অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহীসকলে নিজৰ এখন বৈধ পৰিচয় পত্ৰ জমা দি সৰুসজাই ক্ৰীড়া প্ৰকল্প অথবা পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা আমন্ত্ৰণী পত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি সাংস্কৃতিক পৰিক্ৰমা বিভাগে জানিবলৈ দিছে।

০০০০০

উমৰাংছ'ৰ তিন কিলো কয়লা খনিত যোৱা মাহত সংঘটিত শোকাৱহ দুৰ্ঘটনাত নিহত আৰু পাঁচজন শ্ৰমিকৰ গলিত মৃতদেহ আজি দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হয়। আমাৰ হাফলঙৰ সংবাদদাতাই জনোৱা মতে যোৱা ৬ জানুৱাৰীত এন্দুৰৰ গাঁত সদৃশ খনিটোৰ আভ্যন্তৰলৈ পানী সোমোৱাৰ ফলত তাত কাম কৰি থকা কমেও ৯ জন শ্ৰমিক আবদ্ধ হৈ পৰে। তেওঁলোকক জীৱন্তে উদ্ধাৰৰ বাবে চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হয়। পৰৱৰ্তী কালত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু সেনাবাহিনীৰ উদ্ধাৰকাৰী দলে যোৱা ৪৩ দিন অঞ্চলটোৰ পৰা মৃতদেহ উদ্ধাৰৰ বাবে অহৰহ অভিযান চলাই আছিল আৰু আজি পাঁচজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃতদেহকেইটা এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই আৰু অত্যাধুনিক পৰীক্ষাৰ দ্বাৰাহে মৃতদেহ চিনাক্ত কৰিব পৰা যাব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

ৰাজ্য চৰকাৰে মিচিং, ৰাভা, কাৰ্বি, তিৱা, ডিমাছা আৰু দেউৰী ভাষাক জনগোষ্ঠীকেইটাৰ বসতিপ্ৰধান অঞ্চলসমূহত বুনিয়াদী শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্যখনৰ স্থানীয় ভাষাৰ সংৰক্ষণৰ ক্ষেত্ৰত এয়া ৰাজ্য চৰকাৰৰ উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হৈছে। ৰাজ্যৰ বিদ্যালয় শিক্ষা বিভাগে আজি এই বিষয়ে অধিসূচনা জাৰি কৰে। বিদ্যালয় শিক্ষা বিভাগৰ অধীনৰ নিম্ন প্ৰাথমিক পৰ্যায়ৰ প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ এই ভাষাসমূহক মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাৰ সুবিধা প্ৰদানৰ বাবে ২০২৫-২৬ শিক্ষাবৰ্ষত বিদ্যালয়সমূহ বাছনি কৰা হৈছে। এই অনুসৰি মিচিং ভাষাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰচলন কৰাৰ বাবে ২০০খন বিদ্যালয় বাছনি কৰা হৈছে। এই বিদ্যালয়সমূহত শিক্ষা দানৰ বাবে মিচিং, অসমীয়া আৰু ইংৰাজী ভাষা ব্যৱহাৰ কৰা হ'ব। উচ্চ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়তো মিচিং জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মাতৃভাষাক ঐচ্ছিক বিষয় হিচাপে লৈ অধ্যয়ন কৰিব পাৰিব।

০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ ফলাফল ৭ মাৰ্চৰ ভিতৰত ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ পাছত অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাৰ ফলাফল, প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত ১৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱৰ আজি সামৰণি পৰিব। কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ আজি সামৰণিৰ দিনা কেইবাটাও শিতানত প্ৰতিযোগিতা অনুষ্ঠিত হয়। তাৰালাংছ'ৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰা মহোৎসৱস্থলীত নিৰ্মাণ কৰা বিভিন্ন জনগোষ্ঠীৰ গাঁওখনে বহু লোকক আকৰ্ষণ কৰে। মহোৎসৱৰ অংশ হিচাপে কাৰ্বি, ডিমাছা, বড়ো, তিৱা, গাৰো, ৰেংমা, কুকি, ৰাভাকে ধৰি কেইবাটাও জনগোষ্ঠীৰ খাদ্যসম্ভাৰ পৰিবেশন কৰা হয়। তদুপৰি জনগোষ্ঠীয় শিল্পকলা, হস্তকলা আৰু বস্ত্ৰশিল্পৰ সামগ্ৰীয়ে দৰ্শকসকলক আকৰ্ষিত কৰে। আজি কাৰ্বি সাংস্কৃতিক সমাজৰ নৱনিৰ্বাচিত সভাপতি আৰু সম্পাদকে বিদায়ী সভাপতি আৰু সম্পাদকৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিব। যোৱা দেওবাৰে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই মহোৎসৱ শুভাৰম্ভ কৰিছিল।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ উদ্বোধনী খেলত আজি নিউজিলেণ্ডে পাকিস্তানক জয়ৰ বাবে ৩২১ ৰাণৰ লক্ষ্য বান্ধি দিছে। পাকিস্তানৰ কৰাচীত অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ৩২০ ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ উইলিয়াম ইয়ঙে ১০৭ ৰাণৰ বৰঙণি আগবঢ়ায়। টম লাথামে সৰ্বাধিক ১১৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাকিস্তানৰ নছিম শ্বাহ আৰু হাৰিছ ৰওফে দুটাকৈ উইকেট দখল কৰে।

এই প্ৰতিযোগিতাত বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেশে অংশ লৈছে। প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড, বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰত কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত